ISSN 2319-7366

# সংহতি

# SANGHATI

**Vol.11, Issue-II, December, 2023**
একাদশ বছৰ, দ্বিতীয় সংখ্যা, ডিচেম্বৰ-২০২৩

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক ছয়মহীয়া বহুভাষিক

## গৱেষণা পত্ৰিকা

A Half Yearly Multilingual Research Journal
(Literature, Culture and Social Science)

মুখ্য সম্পাদক
ড° হৰ কুমাৰ নাথ

সম্পাদকমণ্ডলী
হিৰণ্য কুমাৰ নাথ
ড° ৰাতুল পাঠক
ড° মাধুৰ্য্যমণ্ডিত বৰুৱা

Chief Editor
Dr. Har Kumar Nath

Editors
Hiranya Kumar Nath
Dr. Ratul Pathak
Dr. Madhurjyya Mandit Baruah

ISSN 2319-7366

# সংহতি

সাহিত্য, সংস্কৃতি আৰু সমাজ-বিজ্ঞান বিষয়ক
ছয়মহীয়া বহুভাষিক গৱেষণা পত্ৰিকা
একাদশ বছৰ, দ্বিতীয় সংখ্যা, ডিচেম্বৰ-২০২৩

# SANGHATI

Vol. 11, Issue - II, December 2023

A Half Yearly Multilingual **Research Journal**
on
Literature, Culture and Social Science

Published by Nath Sahitya Sabha, Assam with the partly financial support of Trustees of M/S Jugal Kishore Choudhury Charitable & Educational trust, Guwahati and Printed at City Offset, Ananda Nagar, Pandu, Guwahati-12. Address for communication Dr. Har Kumar Nath, Room No. 105c, 5th Floor, Milestone Housing Complex, Boripara, Maligaon, Guwahati-12, Assam, INDIA
E-mail:drharkumar7@gmail.com / nathhiranyakumar@gmail.com / minaram_nath@yahoo.co.in
ratulpathaksun@gmail.com, madhurjyyamondit1975@gmail.com
**Contact No. : +91-94350-01920, +91-94355-55386, +91-93659-98796, +91-99574-92862, +91-91011-71186, +91-8134067192**

# সূচীপত্ৰ

# CONTENTS


বিষয় পৃষ্ঠা/Page

- সম্পাদকীয়
- অসমীয়া নাৰী সমাজত প্ৰচলিত ভক্তিমূলক গীত, ... 7
  *ড° বিজু বৰুৱা* ◻
- **Growth of population and urbanisation: ...** 15
  *Dr. Jonali Nath* ◻
- গোৱালপৰীয়া নাথ যোগীসকলৰ সমাধি প্ৰথা 23
  *বিনয় কুমাৰ নাথ* ◻
- ড° ভূপেন হাজৰিকাৰ গীতত প্ৰকৃতিৰ বৈচিত্ৰ্যময় ৰূপ ঃ এটি আলোচনা 28
  *ড° বন্দনা কলিতা* ◻
- **Transformation of our domestic economy ...** 35
  *Nilakshi Bhuyan* ◻
- মহাপুৰুষ শংকৰদেৱৰ "পাৰিজাত হৰণ" নাট ঃ এক চমু আলোকপাত 46
  *ড° প্ৰণীতা মহন্ত* ◻
- ৰাম সৰস্বতীৰ ৰচনাত মহাপুৰুষীয়া চেতনা 51
  *যোগেশ লহকৰ* ◻
- **An Analysis of Student Mental Health within Assam's School System** 62
  *Deepshikha Bharadwaz* ◻
- ভূপেন হাজৰিকাৰ গীতত প্ৰতিবাদী সুৰঃ এটি সমীক্ষা 70
  *ড° গোবিন্দ প্ৰসাদ ভূঞা* ◻
- ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু সাহিত্যত নৈতিক শিক্ষাৰ প্ৰসঙ্গ... 76
  *দীপক দাস* ◻
- বৈষ্ণৱ ধৰ্মত পৰমেশ্বৰ তত্ত্ব ঃ এটি আলোচনা 82
  *ৰাজীৱ নাৰায়ণ কলিতা* ◻
- **Analyzing the Impact of Urbanization on Deepor Beel Using GIS and...** 90
  *Mallika Rabha & Princi Gogoi* ◻
- অসমীয়া সাহিত্যলৈ চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত ... 101
  *বিপুল ডেকা* ◻
- গৱেষণাৰ নতুন আলোকত কামৰূপী ভাষা-লিপিৰ *ইতিহাস-বীক্ষণ* 108
  *ড° মাধুৰ্য্যমণ্ডিত বৰুৱা* ◻

# মহাপুৰুষ শংকৰদেৱৰ
# "পাৰিজাত হৰণ" নাট ঃ এক চমু আলোকপাত

ড° প্ৰণীতা মহন্ত
সহকাৰী অধ্যাপিকা
বিকালী মহাবিদ্যালয়, ধূপধৰা, অসম

সংক্ষিপ্তসাৰ

'নাটক' সাহিত্যৰ এটা প্ৰধান অংগ। মহাপুৰুষ শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক।পঞ্চদশ-ষোড়শ শতিকাত অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে বিবিধ সাহিত্য ৰচনা কৰোঁতে মহাপুৰুষজনাই নাট্য সাহিত্যৰ অভিব্যক্তিৰে আদৰ্শবাদ, ধৰ্ম সম্বলিত কথা, নৈতিকতাবাদেৰে ভৰা এক অভিনৱ ব্যৱস্থাপনা কৰি গৈছিল। মূলতঃ সৰ্বসাধাৰণৰ মাজত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই অংকীয়া নাটক ৰচিত হৈছিল আৰু এইবোৰ পৰিৱেশনৰ মূল স্থলী আছিল সত্ৰ, নামঘৰ আদি। মহাপুৰুষ শংকৰদেৱ বিৰচিত নাটকেইখন হ'ল— 'পত্নীপ্ৰসাদ', 'কালিয়দমন', 'কেলিগোপাল', 'ৰুক্মিণীহৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰামবিজয়'। মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা ৬ খন নাটকৰ ভিতৰত 'পাৰিজাত হৰণ ' এখন শ্ৰেষ্ঠ অংকীয়া নাট। 'পাৰিজাত হৰণ' নাটৰ মূল কাহিনীভাগ 'ভাগৱত পুৰাণ', 'হৰিবংশ পুৰাণ' আৰু 'বিষ্ণুপুৰাণ'ত পোৱা যায়। মহাপুৰুষ শংকৰদেৱে নাট্যবস্তু আকৰ্ষণীয় কৰিবৰ বাবে 'ভাগৱত পুৰাণ' আৰু 'হৰিবংশ পুৰাণ' ৰ কথাবস্তু লগ লগাইছে। সংলাপ আৰু চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত মহাপুৰুষজনাই যি সচেতনতা অৱলম্বন কৰিছে, সেই সচেতনতাৰ বাবেই 'পাৰিজাত হৰণ' নাট্য ধৰ্মৰ ফালৰ পৰা শ্ৰেষ্ঠ কৃতি হৈ উঠিছে। নৱবৈষ্ণৱ ধৰ্মই এজন উপাস্য দেৱতাক মানি লয়। তেঁৱেই ত্ৰিজগতৰ পতি শ্ৰীকৃষ্ণ। নাট খনত কৃষ্ণকে প্ৰধান উপাস্য দেৱতা হিচাপে প্ৰতিপন্ন কৰা হৈছে। নাটকখনৰ কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ চিত্ৰণ আদিৰ জৰিয়তে মহাপুৰুষজনাই নিৰ্মূল ভক্তিৰসৰ সঞ্চাৰ কৰিছে। মুঠতে মহাপুৰুষ শংকৰদেৱ নাট্যকাৰ হিচাপে অসীম প্ৰতিভাৰ অধিকাৰী আৰু 'পাৰিজাত হৰণ' নাট্যধৰ্মৰ ফালৰ পৰা শ্ৰেষ্ঠ কৃতি।

আমাৰ এই আলোচনা পত্ৰখনত মহাপুৰুষ শংকৰদেৱ বিৰচিত 'পাৰিজাত হৰণ' নাটৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। অসমীয়া নাট্য সাহিত্যৰ জনক মহাপুৰুষ শংকৰদেৱ বিৰচিত অংকীয়া নাটসমূহৰ বিষয়বস্তু আৰু সাহিত্যিক মূল্যলৈ লক্ষ্য ৰাখি এই নাটখন নিৰ্বাচন কৰি লোৱা হৈছে। আলোচনাত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**বীজ শব্দঃ** নৱবৈষ্ণৱ ধৰ্ম, ভক্তিৰস, মহাপুৰুষ শংকৰদেৱ, অংকীয়া নাট, পাৰিজাত হৰণ, শ্ৰীকৃষ্ণ চৰিত্ৰ।

অৱতৰণিকা ঃ

'নাটক' সাহিত্যৰ এটা প্ৰধান অংগ। মহাপুৰুষ শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক। নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লক্ষ্য আগত ৰাখি বৈষ্ণৱ গুৰু শংকৰদেৱে প্ৰাচীন সংস্কৃত নাটক, মধ্য ভাৰতীয় লোকনাট্য আৰু অসমৰ প্ৰাচীন লোকনাট্যৰ লগত নিজস্ব মৌলিকতাৰ ত্ৰিবেণী সংগমত অসমীয়া সাহিত্যৰ অমূল্য সম্পদ অংকীয়া নাটকৰ জন্ম দিয়ে। অৱশ্যে মহাপুৰুষজনাই নাট বুজাবৰ বাবে 'নাট', 'নাটক', 'যাত্ৰা' আৰু 'নৃত্য' শব্দহে ব্যৱহাৰ কৰিছিল। 'অংকীয়া নাট' শব্দটো পৰৱৰ্তীকালতহে সংযোজন কৰা হৈছিল। অসমীয়া নাট্য সাহিত্যত নাট ৰচনা মহাপুৰুষ শংকৰদেৱৰ অনুপম সাৰ্থক সৃষ্টি। পঞ্চদশ-ষোড়শ শতিকাত অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে বিবিধ সাহিত্য ৰচনা কৰোঁতে মহাপুৰুষজনাই নাট্য সাহিত্যৰ অভিব্যক্তিৰে আদৰ্শবাদ, ধৰ্ম সম্বলিত কথা, নৈতিকতাবাদেৰে ভৰা এক অভিনৱ ব্যৱস্থাপনা কৰি গৈছিল। মূলতঃ সৰ্বসাধাৰণৰ মাজত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই অংকীয়া নাটক ৰচিত হৈছিল আৰু এইবোৰ পৰিৱেশনৰ মূল স্থলী আছিল সত্ৰ, নামঘৰ আদি। মহাপুৰুষ শংকৰদেৱ বিৰচিত নাটকেইখন হ'ল— 'পত্নীপ্ৰসাদ', 'কালিয়দমন', 'কেলিগোপাল', 'ৰুক্মিণীহৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰামবিজয়'।

মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা ৬ খন নাটকৰ ভিতৰত 'পাৰিজাত হৰণ ' এখন শ্ৰেষ্ঠ অংকীয়া নাট। সংলাপ আৰু চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত মহাপুৰুষজনাই যি সচেতনতা অৱলম্বন কৰিছে, সেই সচেতনতাৰ বাবেই 'পাৰিজাত হৰণ' নাট্য ধৰ্মৰ ফালৰ পৰা শ্ৰেষ্ঠ কৃতি হৈ উঠিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া নাট্য সাহিত্য' নামৰ গ্ৰন্থখনত 'পাৰিজাত হৰণ' নাটখনৰ বিষয়ে কৰা মন্তব্য প্ৰণিধানযোগ্য— "শংকৰদেৱৰ ছখন নাটৰ ভিতৰত 'কেলিগোপাল' কাব্যধৰ্মিতাত শ্ৰেষ্ঠ আৰু নাট্যধৰ্মত 'পাৰিজাত হৰণ'কে শ্ৰেষ্ঠ বুলিব পাৰি। সংলাপ আৰু চৰিত্ৰ সৃষ্টি এই দুটাৰ প্ৰতি সাধাৰণতে অংকীয়া নাট ৰচনাত বৰ বিশেষ দৃষ্টি ৰখা নহয়, কিন্তু 'পাৰিজাত হৰণ' ৰচনা কৰোঁতে এই দুটা নাট্য উপাদানৰ প্ৰতি বিশেষ সচেতন আছিল যেন লাগে। নাট হিচাপে 'পাৰিজাত হৰণ' মহাপুৰুষৰ নিঃসন্দেহে শ্ৰেষ্ঠ নাট।"[১] ৰামচৰণ ঠাকুৰৰ 'শংকৰ চৰিত' মতে মহাপুৰুষ শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি 'পাৰিজাত হৰণ' নাট ৰচনা আৰু অভিনয় কৰে।

আলোচনা

নাট্য কাহিনীৰ মূল ঃ

'পাৰিজাত হৰণ' নাটৰ মূল কাহিনীভাগ 'ভাগৱত পুৰাণ', 'হৰিবংশ পুৰাণ' আৰু 'বিষ্ণুপুৰাণ'ত পোৱা যায়। মহাপুৰুষ শংকৰদেৱে নাট্যবস্তু আকৰ্ষণীয় কৰিবৰ বাবে 'ভাগৱত পুৰাণ' আৰু 'হৰিবংশ পুৰাণ'ৰ কথাবস্তু লগ লগাইছে। 'ভাগৱত পুৰাণ'ৰ দশম স্কন্ধৰ ৫৯ তম অধ্যায়ত নৰকাসুৰ বধ আৰু পাৰিজাত হৰণৰ কথা বৰ্ণিত হৈছে। ইয়াৰ বিপৰীতে 'হৰিবংশ পুৰাণ'ত চৈধ্যটা অধ্যায়ত নৰকাসুৰ বধ আৰু পাৰিজাত হৰণৰ ঘটনা পোৱা যায়। ইয়াত নৰকাসুৰ বধ আৰু পাৰিজাত হৰণ দুয়োটা ঘটনাই পৃথক পৃথক। 'বিষ্ণু পুৰাণ'ত থকা কাহিনীভাগ 'ভাগৱত পুৰাণ'তকৈ দীঘল। ইয়াত পয়ত্ৰিশটা শ্লোকত নৰক বধৰ কাহিনী আৰু ঊনাশীটা শ্লোকত 'পাৰিজাত হৰণ'ৰ কাহিনীভাগ পোৱা যায়। মহাপুৰুষজনাই 'পাৰিজাত হৰণ' নাট ৰচনা কৰোঁতে গ্ৰহণ- বৰ্জন ৰীতি অনুসৰণ কৰিছে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থখনত এই বিষয়ে কৰা মন্তব্য প্ৰণিধানযোগ্য— "এই নাটৰ মূল 'হৰিবংশ' আৰু 'ভাগৱত পুৰাণ'। কিন্তু নৰকাসুৰ বধ আৰু পাৰিজাত হৰণ এই দুটা স্বতন্ত্ৰ ঘটনা একেখন নাটতে সামৰি যোৱাত নাট্যকথাৰ গাঁথনি অলপ শিথিল হৈছে।"[২] 'অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি' গ্ৰন্থখনত ড° হৰিশচন্দ্ৰ ভট্টাচাৰ্যই এনেদৰে কৈছে— "বিষ্ণু পুৰাণ, ভাগৱত পুৰাণ আৰু হৰিবংশৰ পৰা আখ্যানৰ অংশ গ্ৰহণ কৰি লেখকে এই নাটখন ৰচনা কৰিছে।"

নাটকৰ কাহিনীভাগ ঃ

এদিন শ্ৰীকৃষ্ণই ৰুক্মিণীৰ সৈতে ঘৰুৱা পৰিৱেশত বহি আছিল। তেনেতে দেৱকাৰ্য সাধনৰ বাবে এপাহ পাৰিজাত ফুল হাতত লৈ নাৰদ দেৱৰাজ ইন্দ্ৰৰ সৈতে শ্ৰীকৃষ্ণৰ ওচৰলৈ আহে আৰু সুবিধা বুজি ফুলপাহ শ্ৰীকৃষ্ণৰ হাতত তুলি দি ফুলপাহৰ গুণানুকীৰ্তন কৰিবলৈ ধৰিলে। নাৰদে কৈছে— "হে কৃষ্ণ ,ওহি পাৰিজাতক গন্ধ তিনি প্ৰহৰেক পথ যাই। ওহি পাৰিজাতক

যাহেৰ গৃহে ৰহ ধনজন বিভৱ চাড়ৰে নাহি। ওহে দেৱ দুৰ্লভ পাৰিজাত যে নাৰী পৰিধান কৰে, সে পুষ্পক মহিমায়ে পৰম সোভাগিনী হয়। তাহাক ছাড়ী স্বামী কথাৰে যাইতে নাহি। আঃ ওহি কুসুমক মহিমা কি কহব?"[৯] পাৰিজাত ফুলপাহৰ এনে মহিমাৰ কথা নাৰদৰ পৰা জানিব পাৰি ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ পৰা ফুলপাহ বিচাৰে। ৰুক্মিণীৰ মনোভিলাস পূৰণ কৰি শ্ৰীকৃষ্ণই ৰুক্মিণীক ফুলপাহ পিন্ধাই দিলে। সেই সময়তে ইন্দ্ৰই শ্ৰীকৃষ্ণক নৰকাসুৰে কৰা অত্যাচাৰৰ কথা বিৱৰি ক'লে আৰু নৰকাসুৰৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ টানি অনুৰোধ জনালে। ইন্দ্ৰৰ অনুৰোধ উপেক্ষা নকৰি শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰাৰ আশ্বাস দিলে। সেই সময়তে চেগ বুজি নাৰদে সত্যভামাৰ ওচৰলৈ গৈ পাৰিজাত ফুলৰ কথাখিনি বৰ্ণনা কৰাৰ লগতে শ্ৰীকৃষ্ণই ৰুক্মিণীক পাৰিজাত ফুলপাহ কেনেকৈ খোপাত পিন্ধালে তাৰো আদ্যোপান্ত বৰ্ণনা কৰিলে। শ্ৰীকৃষ্ণই ৰুক্মিণীকহে বেছি আদৰ কৰে বুলি লগাই দিয়াত সত্যভামাৰ ঈৰ্ষাপৰায়ণ মন জ্বলি উঠে আৰু সত্যভামা মূৰ্ছা যায়। এই খবৰটোও নাৰদে শ্ৰীকৃষ্ণক দিয়ে। চেতনা ঘুৰাই পাই সত্যভামা ৰোহ ঘৰত সোমাল। শেষত কৃষ্ণই পাৰিজাত বৃক্ষ উভালি আনি সত্যভামাৰ বাৰীত ৰোপন কৰাৰ প্ৰতিশ্ৰুতি দিলতহে সত্যভামাৰ ঠেহ ভাগিল আৰু নৰকাসুৰ বধ কৰি পাৰিজাত বৃক্ষ অনা কাৰ্যত কৃষ্ণৰ সহচৰী হৈ ওলাল। স্বৰ্গলৈ গৈ ইন্দ্ৰৰ পৰা পাৰিজাত বিচাৰি শ্ৰীকৃষ্ণ বিমুখ হয় আৰু শেষত ইন্দ্ৰৰ সৈতে যুদ্ধ জিনি পাৰিজাত ফুল লৈ দ্বাৰকালৈ সত্যভামাৰ সৈতে ঢাপলি মেলে। এয়ে 'পাৰিজাত হৰণ' নাটক খনৰ মূল কাহিনী।

চৰিত্ৰ চিত্ৰণ ঃ

'পাৰিজাত হৰণ' নাটকখনত সৰু-বৰ বহুকেইটা চৰিত্ৰৰ সমাবেশ ঘটিছে। এই চৰিত্ৰবোৰৰ ভিতৰত অন্যতম চৰিত্ৰ কেইটামান হ'ল শ্ৰীকৃষ্ণ, নাৰদ, ইন্দ্ৰ, ৰুক্মিণী, সত্যভামা, ইন্দুমতী, শচী, বসুমতী, অদিতি আদি।

কৃষ্ণ ঃ 'পাৰিজাত হৰণ' নাটখনৰ মুখ্য চৰিত্ৰ হৈছে শ্ৰীকৃষ্ণৰ চৰিত্ৰ। নাটখনত শ্ৰীকৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক দুয়োটা সত্তাৰেই প্ৰকাশ ঘটিছে। নাটখনত শ্ৰীকৃষ্ণ মানৱীয় ৰূপত ৰুক্মিণী-সত্যভামাৰ স্বামীৰূপে প্ৰকাশ পালেও মুখ্যতঃ তেওঁ পৰম পুৰুষ, পুৰুষোত্তম, পৰম ঈশ্বৰ। শ্ৰীকৃষ্ণৰ চৰিত্ৰত অতি স্পষ্টভাৱে ঈশ্বৰত্ব প্ৰকাশিত হৈছে নাৰদৰ সংলাপৰ মাজেৰে—

"হে স্বামী কৃষ্ণ, মনুষ্য চেষ্টা দেখায়া সবলোক মোহিছ; তোহাক ঈশ্বৰ বুলি জানৰে নাহি। হামু তোহাৰি ভকতিক বলে সব জানি, হামাকু মোহিত চাব।"

এনেকৈ মহাপুৰুষ শংকৰদেৱে 'পাৰিজাত হৰণ' নাটখনত বিষ্ণু বা নাৰায়ণক উপাস্য দেৱতা হিচাপে প্ৰতিফলিত কৰিছে। নাটখনত শ্ৰীকৃষ্ণৰ মানৱীয় গুণো সমানে দেখা যায়। বহুপত্নীক তিৰোতা সেৰুৱা স্বামীৰ যি অৱস্থা হয়, শ্ৰীকৃষ্ণৰো তেনে অৱস্থা হৈছে। নাটখনত শ্ৰীকৃষ্ণৰ বীৰত্ব নৰকাসুৰ বধ আৰু পাৰিজাত ফুলক লৈ ইন্দ্ৰৰ সৈতে হোৱা যুদ্ধত প্ৰকাশ পাইছে। এনেকৈ নাট্য কাহিনীত শ্ৰীকৃষ্ণক জগতৰ সৃষ্টিকৰ্তা পৰম পুৰুষ আৰু আনফালে সাধাৰণ মানৱৰ ৰূপত মহাপুৰুষজনাই অংকন কৰিছে। এফালে তেওঁ ভগৱান আনফালে তেওঁ মানৱ— এই দুমুখীয়া ব্যক্তিত্বৰ সমাহাৰে নাট্যকাহিনীক এক অনন্য সজীৱ ৰূপ দিছে।

নাৰদ ঃ 'পাৰিজাত হৰণ' নাটখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰ হৈছে নাৰদ। এই নাটখনত মহাপুৰুষজনাই সদা বিষ্ণুৰ লীলা মাহাত্ম্য প্ৰচাৰ কৰোঁতা ঈশ্বৰৰ একান্ত ভক্ত দেৱৰ্ষি নাৰদক টুটুকীয়া আৰু কলহপ্ৰিয় চৰিত্ৰ ৰূপেহে উপস্থাপন কৰিছে। কলহ প্ৰিয়তা আৰু পৰিহাস ৰসিকতা নাৰদ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য। নাৰদেই হ'ল নাটখনৰ মূল চালিকা শক্তি। উপাস্য দেৱতা বিষ্ণুৰ লীলা মাহাত্ম্য দৰ্শন আৰু গুণগান কৰাই তেওঁৰ প্ৰধান আকাংক্ষা। যিকোনো দুজনৰ মাজত কন্দলৰ সৃষ্টি কৰি বিষ্ণুৰ লীলা প্ৰদৰ্শন কৰাৰ সুবিধা উলিয়াই দিয়াই নাৰদ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। নাটকখনত নাৰদৰ ধূৰ্তালিক কেন্দ্ৰ কৰিয়েই ইন্দ্ৰ আৰু কৃষ্ণৰ মাজত যুদ্ধ হৈছে, পাৰিজাত ফুলক কেন্দ্ৰ কৰি সত্যভামাৰো অভিমান বাঢ়ি গৈছে, আনফালে নাৰদ চৰিত্ৰটিৰ জৰিয়তে শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰা হৈছে। এয়ে নাৰদ চৰিত্ৰৰ মহিমা। নাট্যকাৰে নাৰদ চৰিত্ৰটোৰ জৰিয়তে শ্ৰীকৃষ্ণৰ মহিমা কীৰ্তন কৰিছে।

ইন্দ্ৰ ঃ 'পাৰিজাত হৰণ' নাটৰ এটি পুৰুষ চৰিত্ৰ হ'ল ইন্দ্ৰ। স্বৰ্গৰ ৰজা ইন্দ্ৰ নাটকখনত সিমান শক্তিশালী চৰিত্ৰ নহয়। নাটখনত এইটো এটা লঘু চৰিত্ৰ। কোনো কোনো ক্ষেত্ৰত পত্নীৰ অধীন পতি আৰু যুদ্ধৰ ক্ষেত্ৰতো ইন্দ্ৰ দুৰ্বল।

ৰুক্মিণী ঃ 'পাৰিজাত হৰণ' নাটখনৰ এটি অন্যতম নাৰী চৰিত্ৰ হৈছে ৰুক্মিণীৰ চৰিত্ৰ। ধীৰ-স্থিৰ, গহীন-গম্ভীৰ স্বভাৱৰ ৰুক্মিণীৰো আছে নাৰীৰ স্বভাৱজাত দুৰ্বলতা। ইন্দ্ৰ সৈতে নাৰদে আহি যেতিয়া শ্ৰীকৃষ্ণক পাৰিজাতৰ মহিমাৰ কথা কৈছে, তেতিয়া ৰুক্মিণী পাৰিজাতৰ প্ৰতি দুৰ্বল হৈ পৰিছে আৰু শ্ৰীকৃষ্ণক পাৰিজাত ফুলপাহ তেওঁক দিবলৈ প্ৰাৰ্থনা কৰিছে। এই প্ৰাৰ্থণাত আছে অত্যন্ত বিনয়ী ভাব, পত্নীসুলভ মাৰ্জিত আচৰণ। তেওঁ সত্যভামা চৰিত্ৰৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ নাৰী।

সত্যভামা ঃ 'পাৰিজাত হৰণ' নাটৰ আন এটি অন্যতম আকৰ্ষণীয় চৰিত্ৰ হৈছে শ্ৰীকৃষ্ণৰ পত্নী সত্যভামাৰ চৰিত্ৰ। সত্যভামাই নিজকে পৰম সৌভাগিনী নাৰী বুলি গৌৰৱ অনুভৱ কৰিছে। সত্যভামা বাক্‌চতুৰা, ঈৰ্ষাপৰায়ণা আৰু দন্দুৰী স্বভাৱৰ নাৰী। সতিনী বিদ্বেষ তেওঁৰ চৰিত্ৰৰ মূল বৈশিষ্ট্য।

শশী ঃ নাটকখনৰ আন এটি চৰিত্ৰ হৈছে শশী। শশী অমৰাৱতীৰ ৰাণী। কলহ প্ৰিয়তা শশীৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। দেৱৰাজ ইন্দ্ৰৰ পত্নী শশী আৰু সত্যভামাৰ মাজত হোৱা বাক্‌যুদ্ধখনত শশীৰ আনৰ প্ৰতি যেনে ব্যৱহাৰ সি যথোচিত হোৱা নাই। শশী আৰু সত্যভামাৰ চৰিত্ৰৰ মাজত কোনো কোনো ক্ষেত্ৰত মিল থকা দেখা যায়।

ইন্দুমতী আৰু বসুমতী ঃ ইন্দুমতী আৰু বসুমতী চৰিত্ৰ দুটা পাৰিজাত হৰণ নাটত বিশেষ লক্ষণীয় নহয়। অৱশ্যে চৰিত্ৰ দুটি অপ্ৰয়োজনীয় চৰিত্ৰ নহয়। বসুমতী স্বাৰ্থপৰ, সন্তান বৎসল আনহাতে ইন্দুমতী পতিপ্ৰাণা। নাৰী চৰিত্ৰ হিচাপে দুয়োটা চৰিত্ৰৰ মাজত চৰিত্ৰগত পাৰ্থক্য আছে।

মুঠতে পাৰিজাত হৰণ নাটকখনৰ নাৰী চৰিত্ৰ বিশেষকৈ ৰুক্মিণী আৰু সত্যভামা চৰিত্ৰৰ মাজত বৈপৰীত্য আৰু সত্যভামা আৰু শশীৰ চৰিত্ৰৰ মাজত সমধৰ্মিতা ফুটি উঠাৰ লগতে সংলাপৰ সজীৱতায়ো পাৰিজাত হৰণৰ নাট্যগুণ বৃদ্ধিত বহুত অৰিহণা যোগাইছে।

ৰস বিচাৰ ঃ

'পাৰিজাত হৰণ' নাটকখনত বীৰ ৰসৰ লগতে করুণ, ৰৌদ্ৰ, হাস্য আৰু শৃংগাৰ ৰসেও ভূমুকি মাৰিছে। নাটখন বীৰ ৰস প্ৰধান। নাট্যকাহিনীৰ ঠায়ে ঠায়ে বীৰ ৰসৰ সমাৱেশ ঘটিছে। নাটকখনত নৰকাসুৰ বধ আৰু পাৰিজাত ফুলক কেন্দ্ৰ কৰি দেৱৰাজ ইন্দ্ৰ আৰু শ্ৰীকৃষ্ণৰ মাজত যি যুদ্ধ হৈছে, তাৰ মাজত বীৰ ৰস প্ৰকট হৈ উঠিছে। অৱশ্যে শ্ৰীকৃষ্ণ স্বয়ং ভগৱান। গতিকে তেওঁক কেন্দ্ৰ কৰি যি বীৰত্ব সংঘটিত হৈছে, সেয়া আচলতে ভগৱানৰ লীলাহে। সেয়ে এই বীৰৰসৰ মাজত ভক্তি আৰু শান্ত ৰসৰ মিশ্ৰিত ধাৰা প্ৰবাহমান।

'পাৰিজাত হৰণ' নাটখনিত করুণ ৰস শ্ৰীকৃষ্ণৰ পত্নী সত্যভামাৰ সন্তাপ, বসুমতীৰ বিলাপ আদিৰ মাজেৰে উপলব্ধি হয়। ঠিক একেদৰে শ্ৰীকৃষ্ণৰ ওচৰত ৰুক্মিণীয়ে পাৰিজাত ফুল বিচাৰি কৰা প্ৰাৰ্থণা, দেৱমাতা অদিতিয়ে শ্ৰীকৃষ্ণক কোৱা উক্তি, স্তুতি, পাৰিজাত ফুলৰ বৃক্ষ লৈ সদম্ভে উভতি অহা সত্যভামাৰ প্ৰতি ৰুক্মিণীৰ বুজনি আদিৰ জৰিয়তে শান্ত ৰসৰ প্ৰকাশ ঘটিছে। এইকেইবিধ ৰসৰ উপৰিও কম পৰিমাণে হ'লেও ৰৌদ্ৰ আৰু হাস্য ৰসৰ প্ৰকাশো নাটখনত দেখা যায়। এনেকৈ 'পাৰিজাত হৰণ' নাটখনত বিভিন্ন ৰসৰ সমাবেশ ঘটিছে যদিও মূল ৰস ভক্তি ৰসহে।

গীত-ভটিমা ঃ

'পাৰিজাত হৰণ' মহাপুৰুষজনাৰ শ্ৰেষ্ঠ নাট হিচাপে স্বীকৃত হৈছে। নাটখন মূলতঃ সংলাপ প্ৰধান নাট। নাটকীয় সংলাপৰ প্ৰতি নাট্যকাৰজনে এইখন নাটক যিমান গুৰুত্ব দিছে বাকীকেইখন নাটত সিমান গুৰুত্ব দিয়া দেখা নাযায়। তদুপৰি নাটখনত যথেষ্ট সংখ্যক গীত আৰু ভটিমাৰ ব্যৱহাৰ হৈছে। নাটখনিত ব্যৱহৃত গীতৰ সংখ্যা হৈছে ১৮ টা। নাটখনত তিয়াল্লিশটা শ্লোকৰ ব্যৱহাৰ হৈছে। প্ৰথম আৰু মুক্তিমংগল ভটিমাৰ উপৰিও পয়াৰজাতীয় পাঁচটা ভটিমাও আছে। এনেদৰে নাটখনত গীত আৰু ভটিমাৰ প্ৰাধান্য দেখা যায়। ভটিমাসমূহৰ ভাষা আৰু শব্দচয়নৰ ক্ষেত্ৰত মহাপুৰুষজনাৰ কাব্যিক প্ৰতিভা বাঙ্ময় হৈ উঠিছে। নাটখনত ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰ মনকৰিবলগীয়া। ছন্দ, অলংকাৰ প্ৰয়োগতো মহাপুৰুষজনা সিদ্ধহস্ত। নাটখনত ঘাইকৈ পদ

ছন্দত ৰচিত পয়াৰ আৰু ভটিমাসমূহত অন্ত্যমিল সংযুক্ত। গীতসমূহত ঘাইকৈ দুলড়ী, লেছাৰী ছন্দ পৰিলক্ষিত হয়। তদুপৰি নাটকখনত অনুপ্ৰাস, উপমা আৰু ৰূপক অলংকাৰৰ সমাবেশ ঘটিছে।

**নাটখনত ধৰ্মীয় তত্ত্ব ঃ**

মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি 'পাৰিজাত হৰণ' নাটখন ৰচনা কৰিছিল। যুগ স্ৰষ্টা মহাপুৰুষজনাই প্ৰচাৰ কৰা নৱবৈষ্ণৱ ধৰ্মৰ মূলতত্ত্ব হৈছে একশৰণবাদ। নৱবৈষ্ণৱ ধৰ্মই এজন উপাস্য দেৱতাক মানি লয়। তেঁৱেই ত্ৰিজগতৰ পতি শ্ৰীকৃষ্ণ। নাটকখনত কৃষ্ণকে প্ৰধান উপাস্য দেৱতা হিচাপে প্ৰতিপন্ন কৰা হৈছে। দেৱৰাজ ইন্দ্ৰক কৃষ্ণৰ দ্বাৰা পৰাভূত কৰাই কৃষ্ণৰ শৰণ বিনে যে গতি নাই তাক অতি স্পষ্ট ৰূপত প্ৰকাশ কৰিছে। ৰুক্মিণী নিৰ্গুণ ভক্তিৰ প্ৰতিভূ। সত্যভামাই ৰুক্মিণীক আঘাট কৰিবলৈ যিবোৰ কথা কৈছিল ৰুক্মিণীয়ে তাৰ উত্তৰ মৃদুভাৱেই দিছিল। চিৰন্তন নাৰীৰ কোমল অনুভূতিসিক্ত ৰুক্মিণী হৈছে অকৃত্ৰিম কৃষ্ণ-ভক্তিৰ দৃষ্টান্ত। শ্ৰীকৃষ্ণৰ প্ৰতি ৰুক্মিণীৰ যি ভক্তি সেয়া কেৱল নিৰ্গুণ ভক্তিৰ উদাহৰণ মাত্ৰ। শ্ৰীকৃষ্ণৰ শ্ৰীচৰণত নিজকে অৰ্পণ কৰি ৰুক্মিণীয়ে যি বিমল আনন্দ লাভ কৰিছে তাৰ তুলনা নাই। আনহাতে সত্যভামাৰ যি ভক্তি সেয়া সগুণ ভক্তিৰ নিদৰ্শন। সত্যভামাৰ ভক্তি মান-অভিমানেৰে পূৰ্ণ। সত্যভামাক নাট্যকাৰে জেদী, অভিমানিনী আৰু প্ৰগলভা নাৰী হিচাপে উপস্থাপন কৰিছে। মুঠতে, 'পাৰিজাত হৰণ' নাটখনত কৃষ্ণক উপাস্য দেৱতা হিচাপে দেখুৱাই নৱবৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় তত্ত্ব প্ৰকাশ কৰিছে।

**উপসংহাৰ ঃ**

খৃষ্টীয় পঞ্চদশ শতিকাতে অসমীয়া জনসাধৰণৰ মাজত 'নৱবৈষ্ণৱ ধৰ্ম' প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উদ্দেশ্যে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে অংকীয়া নাট ৰচনা কৰিছিল। 'পাৰিজাত হৰণ' মহাপুৰুষ জনাৰ শ্ৰেষ্ঠ নাট্যকৃতি। নাটকখনৰ সমস্ত আখ্যানত ধৰ্মীয় আধ্যাত্মিক তত্ত্বৰ পৰিস্ফুৰণ ঘটিছে। নাটকখনৰ কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ চিত্ৰণ আদিৰ জৰিয়তে মহাপুৰুষজনাই নিৰ্মূল ভক্তিৰসৰ সঞ্চাৰ কৰিছে। নাটখনত শ্ৰীকৃষ্ণক উপাস্য দেৱতা হিচাপে দেখুৱাই নৱবৈষ্ণৱ ধৰ্মৰ মূল ধৰ্মীয় তত্ত্বসমূহ প্ৰকাশ কৰিছে। মুঠতে মহাপুৰুষ শংকৰদেৱ নাট্যকাৰ হিচাপে অসীম প্ৰতিভাৰ অধিকাৰী আৰু 'পাৰিজাত হৰণ' নাটখন নিঃসন্দেহে এখন শ্ৰেষ্ঠ নাট্যকৃতি ।

**পাদটীকাঃ**

১.শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, প্ৰথম সংস্কৰণ ১৯৬২, পৃ. ৫১
২.শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,ষষ্ঠ প্ৰকাশ ১৯৯৪, পৃ.১৪৬
৩.শৰ্মা,সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য,সোমাৰ প্ৰকাশ, প্ৰথম সংস্কৰণ ১৯৬২ , পৃ. ৫৩

**সহায়ক গ্ৰন্থ ঃ**

১। বৰা, মহিম (সম্পা.) ঃ শংকৰদেৱৰ নাট, ২০০৮
২। বৰ্মন, শিৱনাথ ঃ শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব, ১৯৯৭
৩। বায়ন, ভৱজিৎ ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলন, ২০১৪
৪। বৰঠাকুৰ, সত্যকাম ঃ শংকৰদেৱৰ নাট-বিশ্লেষণাত্মক অধ্যয়ন, ২০১৪
৫। ভট্টাচাৰ্য, হৰিচন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি, ১৯৭০
৬। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া নাট্য সাহিত্য, সোমাৰ প্ৰকাশ, প্ৰথম সংস্কৰণ, ১৯৬২
৭। শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা.) ঃ পাৰিজাত হৰণ নাট, নিউ বুক ষ্টল, সপ্তম প্ৰকাশ, ১৯৯৭
৮। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত , প্ৰতিমা দেৱী, বিহাবাৰী, গুৱাহাটী, ষষ্ঠ প্ৰকাশ, ১৯৯৪

□□